بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ফাতাহ মক্কাৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা, তথা ইৰাণ আৰু ইজৰাইলৰ বিবাদৰ প্ৰেক্ষাপটত দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৩ জুন ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে বিগত জুমাৰ আগতে মক্কা বিজয় সম্পৰ্কে প্ৰাথমিক কিছু কথা আলোচনা কৰিছিলোঁ। আজি এই সন্দৰ্ভত বিস্তাৰিতভাৱে ব্যাখ্যা কৰিম। এই যুদ্ধৰ কাৰণ সন্দৰ্ভত বৰ্ণনা আছে যে কুৰাইছ সকলে হুদাইবিয়াৰ যুদ্ধৰ চৰ্ত ভাঙি পেলাইছিল। তেওঁলোকে মহানবী (ছাঃ)ৰ দূতক অহংকাৰৰ সৈতে কৈছিল যে আমি এই চুক্তি বাতিল কৰিছোঁ তথা আমি মহম্মদ (ছাঃ)ৰ সৈতে যুদ্ধ কৰিম। মহানবী (ছাঃ)য়ে যেতিয়া এই সংবাদ জানিব পাৰে তেতিয়া তেখেত মক্কা অভিমুখে ৰাওনা হয়।

সিহঁতৰ চুক্তিভঙ্গৰ বিস্তাৰিত বিৱৰণ এই যে যেতিয়া হুদায়বিয়াৰ সন্ধি সম্পন্ন হৈছিল, তেতিয়া তাৰ এটা চৰ্ত আছিল যে আৰবৰ যিকোনো গোত্ৰ ইচ্ছা কৰিলে মহানবী (ছাঃ)ৰ সৈতে চুক্তি কৰিব পাৰে আৰু ইচ্ছা কৰিলে কুৰাইছ সকলৰ সৈতেও চুক্তি কৰিব পাৰে। অৰ্থাৎ বনু বকৰ, বনু খাজাআ যিসকলে হাৰমৰ আশে-পাশে বসবাস কৰিছিল। তাৰ মাজৰ পৰা বনু খাজাআই ৰছুলে কৰিম (ছাঃ)ৰ সৈতে চুক্তিবদ্ধ কৰিছিল, আৰু হাৰিফ গোত্ৰৰ বনু বকৰে কুৰাইছৰ সৈতে চুক্তিবদ্ধ হৈছিল, আৰু দুয়োটা গোত্ৰ পৰস্পৰে পাৰস্পাৰিক যুদ্ধৰ পৰা সুৰক্ষিত আছিল। অজ্ঞতাৰ যুগত বনু খুজাআ আৰু বনু বকৰৰ যুদ্ধ হৈছিল তেতিয়া বনু বকৰে এজন খাজাআ গোত্ৰৰ ব্যক্তিক হত্যা কৰিছিল, আৰু বনু খাজাআই বনু বকৰৰ তিনিজন মানুহক হুদুদে

হাৰামক হত্যা কৰিছিল। বনু বকৰ আৰু বনু খাজাআ সেই অৱস্থাতেই আছিল, অৰ্থাৎ পৰস্পৰৰ মাজত যেতিয়া যুদ্ধ চলি আছিল তেতিয়া ৰছুলে কৰিম (ছাঃ)ৰ আগমন হয় , তেতিয়া লোকসকলে ইছলাম গ্ৰহণ কৰাত ব্যস্ত আছিল। নতুন বস্তু যেতিয়া সিহঁতৰ সন্মুখত আহিছিল তেতিয়া সেই নতুন বস্তু অৰ্থাৎ ইছলাম সন্দৰ্ভত আলোচনা হৈ আছিল আৰু পৰস্পৰ পৰস্পৰৰ পৰা দূৰত্ব হৈ পৰিছিল আৰু হৃদয়খন অহংকাৰেৰে ভৰি পৰিছিল।

যেতিয়া শ্বাবান মাহৰ ৮ হিজৰীৰ ছুলাহ হুদায়বিয়াৰ পৰা ২২ মাহ অতিবাহিত হৈছিল। তেতিয়া বনু বকৰৰ এজন ব্যক্তিয়ে ৰছুলে কৰিম (ছাঃ)ৰ মৰ্যাদাৰ অপমান কৰে অৰ্থাৎ অপমানজনক কবিতা পাঠ কৰে। বনু খাজাআৰ এজন যুৱকে তেওঁক সেই কবিতা গাই থকা শুনা পাইছিল যাৰ ফলতে সেই ব্যক্তিজনক হত্যা কৰি তেওঁৰ মূৰখন টুকুৰা কৰি পেলাইছিল। এই ঘটনাক কেন্দ্ৰ কৰি দুয়ো গোত্ৰৰ মাজত বিবাদ আৰম্ভ হয়, আগৰে পৰাই এই দুয়ো গোত্ৰৰ মাজত শত্ৰুতা আছিল। যিজন ব্যক্তিয়ে অপমানজনক কবিতা লিখিছিল তেওঁ বনু বকৰৰ এটা বংশৰ বনু নিফাশাৰ এজন সদস্য আছিল; যেতিয়া সেই কবিজনক বনু খাজাআৰ এজন যুৱকে ক্ষত কৰি পেলায় তেতিয়া বনু বকৰৰ মাজৰ পৰা বনু নিফাশাই কুৰাইছৰ পৰা বনু খাজাআৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ মানুহ আৰু অস্ত্ৰৰ সহায়ৰ বাবে আবেদন কৰে।

কুৰাইছসকলে আবু ছুফিয়ানৰ বাহিৰে সকলোৱে সহায় আগবঢ়োৱাৰ বাবে সন্মতি জনায়। তেওঁ কোনো পৰামৰ্শ দিয়া নাছিল আৰু তেওঁ এই বিষয়ে জনাও নাছিল। এটা বক্তব্যৰ পৰা জনা যায় যে তেওঁ মৰামৰ্শ দিছিল কিন্তু তেওঁ যুদ্ধ কৰিবলৈ অস্বীকাৰ কৰিছিল। এয়া সত্ত্বেও কুৰাইছসকলে অস্ত্ৰ, ঘোঁৰা আৰু লোকসকলৰ জৰিয়তে সহায় কৰিছিল। তেওঁলোকে ৰহস্যজনকভাৱে আক্ৰমণ চলাইছিল যাতে বনু খাজাআই পলায়ন কৰিব নোৱাৰে। বনু খাজাআই চুক্তিবদ্ধৰ বাবে নিজকে সুৰক্ষিত বুলি ভাৱি সতৰ্ক অৱলম্বন কৰা নাছিল। কুৰাইছ, বনু বকৰ আৰু বনু নিফাশাই ওৱাতিৰ নামৰ ঠাইত সাক্ষাৎ কৰাৰ অংগীকাৰ কৰিছিল। এইটো আছিল মক্কাৰ নশিবি অঞ্চল। বনু খাজাআৰ ঘৰ সেই ঠাইতেই আছিল। এইলোকসকল বিৰোধী আছিল, তেওঁলোকে নিৰ্ধাৰিত সময়ত সেই ঠাইত গৈ পাইছিল। কুৰাইছসকলৰ চৰ্দাৰসকলে পোছাক পৰিৱৰ্তন কৰি মুখখন ঢাকি ৰাখিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ইয়াক ঐতিহাসিক দৃষ্টিকোণেৰে বৰ্ণনা কৰিছে। এইদৰে লিখিছে যে মক্কাবাসী সকলে আবু ছুফিয়ানক মদিনাৰ ফালে ৰাওনা কৰে যাতে তেওঁলোকে মুছলমান সকলৰ আক্ৰমণৰ পৰা ৰক্ষা পাব পাৰে। আবু ছুফিয়ানে মদিনা গৈ ৰছুলে কৰিম (ছাঃ)ৰ ওপৰত জোৰ দিয়া আৰম্ভ কৰিলে কাৰণ তেওঁ ছুলাহ হুদায়বিয়াৰ সময়ত তাতে উপস্থিত নাছিল; সেই কাৰণে তেওঁ কৈছিল নতুনকৈ চুক্তি কৰা হওঁক, কিন্তু ৰছুলে কৰিম (ছাঃ)য়ে ইয়াৰ কোনো উত্তৰ দিয়া নাছিল, কিয়নো উত্তৰ দিয়াৰ ফলত ৰহস্য উদঘাটিত হৈ পৰিলেহেঁতেন। আবু ছুফিয়ানে নিৰাশা অৱস্থাত ভয়াতুৰ হৈ মছজিদত থিয় হৈ ঘোষণা কৰিলে যে হে লোকসকল

! মই মক্কাৰ লোকসকলৰ ফালৰ পৰা আপোনালোকৰ বাবে শান্তিৰ ঘোষণা কৰো। এই কথা শুনি মুছলমান সকলে তেওঁৰ মূৰ্খতা চাই হাঁহিলে আৰু ৰছুলে কৰিম (ছাঃ)য়ে কলে, আবু ছুফিয়ান তুমি এফলীয়া কথা কৈ আছা, আমি এনেকুৱা কোনো চুক্তি তোমাৰ সৈতে কৰা নাই। এই ঘটনা উল্লেখ কৰি হজৰত মুচলেহ মাওউদ (ৰাঃ)য়েও লিখিছে যে হজৰত মায়মুনাই কৈছে যে এটা ৰাতি ৰছুলে কৰিম (ছাঃ)য়ে মোৰ সৈতে শুই আছিল, যেতিয়া তেখেত তাহাজ্জুদৰ নামাজৰ বাবে উঠে, অজু কৰি থকা অৱস্থাত মৌলৈ শব্দ আহে যে তেখেতে কৈ আছিল লাব্বেক লাব্বেক লাব্বেক; ইয়াৰ পিছত তেখেতে কৈছে যে সহায়, সহায়, সহায়। তাই কয়, যেতিয়া তেখেতে বাহিৰলৈ ওলাই আহিছিল তেতিয়া মই কৈছিলো হে আল্লাহৰ ৰছুল বাহিৰৰ পৰা কোনোবা আহিছিল নে যিয়ে আপোনাৰ সৈতে কথা পাতি আছিল। তেখেতে কলে যে মোৰ সন্মুখত দিব্যদৰ্শনত খাজাআৰ এটা দল উপস্থিত হৈছিল আৰু তেওঁলোকে হৈ-হাল্লা কৰি গুচি গৈ আছিল যে আমি মহম্মদক খোদাৰ শপত খাই কওঁ যে তোমাৰ সৈতে আৰু তোমাৰ পিতৃ-পুৰুষসকলৰ সৈতে অংগীকাৰ কৰিছিলোঁ আৰু আমি তোমাৰ সহায় কৰিছোঁ কিন্তু কুৰাইছ সকলে আমাৰ সৈতে অংগীকাৰ ভঙ্গ কৰিলে, নিশাৰ ভাগত আমাৰ ওপৰত আক্ৰমণ চলালে, সেই সময়ত আমি ছিজদাৰত অৱস্থাত আছিলো আৰু কোনোবাই ৰুকু কৰি থকা অৱস্থাত আছিলো, এনে অৱস্থাত আমাক হত্যা কৰি পেলালে। এতিয়া আমি তোমাৰ সহায় কৰাৰ বাবে আহিছো। মই আঁহজৰত (ছাঃ)ক এয়া কৈ থকা দেখা পাইছো যে খাজাআৰ এজন মানুহ থিয় হৈ আছে, দিব্য দৰ্শনত যেতিয়া সেই মানুহজনক দেখা পালো তেতিয়া মই লাব্বেক লাব্বেক লাব্বেক, অৰ্থাৎ তোমাৰ সহায়ৰ বাবে উপস্থিত আছো তিনিবাৰ কলে; তাৰ পিছত মই কলো নুচৰত নুচৰত নুচৰত অৰ্থাৎ তোমাক সহায় কৰা হ'ব এইটোও তিনিবাৰ কলে। তাৰ পিছত হজৰত আয়শাই কলে যে সেই দিনাখন ৰাতিপুৱা ৰছুলে কৰিম (ছাঃ)য়ে মোৰ ঘৰত উপস্থিত হৈ কলে যে খাজাআৰ সৈতে এটা ভয়ানক ঘটনা সংঘটিত হৈছে। হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে মই ভাৰিছো যে খাজাআৰ সৈতে ভয়ানক ঘটনা এই কাৰণেই সংঘটিত হ'ব পাৰে যে তেওঁলোকে মক্কাৰ সীমাৰ কাষতেই আছিল আৰু মক্কাবাসীৰ বনু বকৰৰ সৈতে যি অংগীকাৰ আছিল তেওঁলোকে খাজাআৰ ওপৰত আক্ৰমণ কৰিব পাৰে। মই কলো হে আল্লাহৰ ৰছুল ! এইটো সম্ভৱ নে যে ইমান শপত খোৱাৰ পিছতো কুৰাইছসকলে সন্ধি ভাঙি পেলাব আৰু খাজাআৰ ওপৰত আক্ৰমণ চলাব ? তেখেতে কলে যে হয় আল্লাহ তা'লাৰ প্ৰজ্ঞাৰ অধীনত তেওঁলোকে এই অংগীকাৰ ভঙ্গ কৰি আছে, সেই প্ৰজ্ঞা এইটো আছিল যে ৰছুলে কৰিম (ছাঃ)ক আক্ৰমণ কৰাৰ অনুমতি নাছিল; চুক্তি ভঙ্গ হোৱাৰ পিছত অনুমতি প্ৰদান কৰা হৈছিল। হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে মই কলো, হে আল্লাহৰ ৰছুল! ইয়াৰ ফলাফল ভাল হ'ব নে ? তেখেত (ছাঃ)য়ে কৈছিল হয়। ফলাফল ভালেই হ'ব। ইয়াৰ বিস্তাৰিত বিৱৰণ পৰৱৰ্তীলৈ অব্যাহত থাকিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে বৰ্তমান ইৰাণ আৰু ইজৰাইলৰ চলি থকা যুদ্ধৰ প্ৰেক্ষাপটত দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কৈছে যে বৰ্তমান পৃথিৱীৰ সাধাৰণ অৱস্থা চাই এয়া ক'ব বিচাৰো যে দোৱা অব্যাহত ৰাখিব। যুদ্ধ বিস্তাৰৰ সম্ভাৱনা বৃদ্ধি পাই আছে। আল্লাহৰ ওচৰত দোৱা কৰিব যাতে আল্লাহ তা'লা আমাক এই ধ্বংসৰ পৰা ৰক্ষা কৰে, এতিয়া ইৰাণৰ ওপৰত ইজৰাইলে আক্ৰমণ আৰম্ভ কৰি দিছে। এই যুদ্ধৰ অৱস্থা ভয়ানক ৰূপ ধাৰণ কৰিছে।

এইলোকসকলে অৰ্থাৎ ইজৰাইলী শাসনে এটা এটা কৰি সমগ্ৰ মুছলমান দেশক ক্ষতি কৰাটো বিচাৰে। কিন্তু মুছলমান দেশসমূহ শুই আছে নিজৰ উন্নতি আৰু নিজৰ প্ৰাধান্যতাৰ মাজতেই ডুবি আছে। তেওঁলোকে বুজি পোৱা নাই যে কি হ'বলৈ গৈ আছে।

মুছলমান সকলৰ কৰ্মও ঠিক নহয় আৰু দোৱাৰ প্ৰতিও কোনো গুৰুত্ব নাই; এনে পৰিস্থিতিত যি ক্ষতি হ'বলৈ গৈ আছে তাৰ কল্পনাও কৰিব নোৱাৰিব। আল্লাহ তা'লা তেওঁলোকক বিবেক বুদ্ধি দান কৰক, আৰু ইয়াৰ প্ৰতি মনোযোগ দিয়ক আৰু ঐক্যবদ্ধ প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰক।

এনে ধাৰণা নকৰিব যে এইটো অমুক দল সেইটো অমুক দল সেই কাৰণে আমি তেওঁলোকৰ সহায় নকৰিম। সমগ্ৰ দেশ বিপদৰ মাজত আছে, কাৰণ কাফিৰ দেশসমূহ ঐক্যবদ্ধ হৈছে। এতিয়া মুছলমান সকলেও ঐক্যবদ্ধ হ'ব লাগিব তেতিয়াহে ৰক্ষা পাব পাৰিব; ইয়াৰ বাহিৰে কোনো উপায় নাই। আল্লাহ তা'লা প্ৰতিজন নিৰ্দোষ, নিপীড়িত সকলক ডাঙৰ ক্ষতিৰ পৰা ৰক্ষা কৰক। আমি দোৱাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া উচিত। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 13 JUNE 2025**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

NASHOR-O-ISHAAT QADIAN